**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-08-2026
**Time :** 18-00 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। নেপাল আৰু তিববতত হোৱা বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৬২৬ লৈ বৃদ্ধি। পশ্চিম কাৰ্বি আংলং জিলাৰ ৪ জনৰ লগতে অসমৰ ১৪ গৰাকী লোক সন্ধানহীন।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক শ্বিলঙত আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত গাওঁবুঢ়া সন্মান প্ৰদান।

৩। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ ধেমাজি চিটি মহাবিদ্যালয়ত নৱ নিৰ্মিত শৈক্ষিক ভৱন উদ্বোধন। **আৰু**

৪। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। দেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকী পালন।

০০০০

নেপাল চৰকাৰে দক্ষিণ ছিটৱান জিলাত ভোটে কোশি নৈৰ বিধবংসী বানত প্ৰাণ হেৰুওৱা প্ৰশাসনে চিনাক্ত কৰিব নোৱৰা ২২৯ গৰাকী লোকৰ মৃতদেহ সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। মৃতদেহসমূহৰ অৱস্থা বেয়াৰ পিনে ঢাল খোৱাৰ ফলত সংক্ৰমণৰ আশংকালৈ চাই এই সিদ্ধান্ত লোৱা হৈছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ বিপদাশংকা প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, আজি পুৱাৰ ভাগলৈ মুঠ ৬২৬ টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। উদ্ধাৰ হোৱা মৃতদেহৰ বৰ্ধিত সংখ্যাৰ ফলত চিটৱান জিলা প্ৰশাসন মৃতদেহ সংৰক্ষিত কৰি ৰখাত জটিলতাৰ সন্মুখীন হৈছে। স্থানীয় চিকিৎসালয়ত পৰ্যাপ্ত ঠাই আৰু সুবিধাৰ অভাৱত মৃতদেহসমূহ ৰখাৰ বাবে অস্থায়ী ব্যৱস্থা কৰিবলগীয়া হৈছে।

স্বাস্থ্য বিশেষজ্ঞসকলে গেলি পচি যোৱা মৃতদেহৰ পৰা ওলোৱা দুৰ্গন্ধৰ ফলত সংক্ৰমণ আৰু ইয়াৰ ফলত মহামাৰী বিয়পিব পাৰে বুলি সকিয়াই দিছে। এনে সকিয়নিলৈ চাই চিটৱানৰ জিলা সুৰক্ষা সমিতিয়ে চিনাক্ত কৰিব নোৱাৰা মৃতদেহসমূহ ভৰতপুৰ নগৰৰ দেৱঘাটৰ মুকলি এলেকাত সমাধিস্থ কৰাৰ সিদ্ধান্ত লৈছে। কৰ্তৃপক্ষসমূহে প্ৰকাশ কৰা মতে, সমাধিস্থ কৰাৰ পূৰ্বে মৃতদেহসমূহৰ দি এন এ সংগ্ৰহ কৰা হ'ব।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে শেহতীয়াকৈ প্ৰকাশ কৰা মতে আজি পশ্চিম কাৰ্বি আংলঙৰ ৪ জন লোক সন্ধানহীন হোৱাৰ তথ্য প্ৰকাশ হৈছে। ইয়াকে লৈ নেপালৰ বানত সন্ধানহীন হোৱা অসমৰ লোকৰ সংখ্যা ১৪ লৈ বৃদ্ধি পাইছে। ইপিনে, বানত সন্ধানহীন হোৱা বুলি ইতিপূৰ্বে প্ৰকাশ পোৱা নলবাৰী জিলাৰ পংকজ বৰ্মন আৰু সমৰ বেজবৰুৱা নামৰ লোক দুজন নিৰাপদে আছে বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে।

বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি টেলিফোনযোগে নেপালৰ বানত সন্ধানহীন নলবাৰীৰ অৰৱাৰ অৰুণ মহন্তৰ পৰিয়ালৰ সৈতে কথা পাতে আৰু অৱস্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে লগতে চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ সহায় সহযোগিতাৰ আশ্বাস দিয়ে। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি

নেপালৰ ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নেপালত সন্ধানহীন হোৱা অসমৰ লোকসকলক সুকলমে উভতি আহিব বুলি আশা প্ৰকাশ কৰে।

বাইট- সোণোৱাল

০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙত আছাম ৰেজিমেণ্টৰ যুদ্ধস্মাৰকস্থলীত দেশ মাতৃৰ সুৰক্ষাৰ হকে সৰ্বোচ্চ ত্যাগ স্বীকাৰ কৰা বীৰ জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে ডঃ শৰ্মাই কয়, যে শ্বহীদসকলৰ অদম্য সাহস, বীৰত্ব আৰু আত্মত্যাগে সকলোকে সদায় দেশ সেৱাৰ বাবে অনুপ্ৰাণিত কৰি যাব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধস্মাৰকত বীৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে জোৱানসকলৰ সমৰ কলা কৌশল, কুছ কাৱাজ আৰু অস্ত্ৰ সঞ্চালনৰ শৈলী উপভোগ কৰে। এই ভ্ৰমণকালত জোৱান তথা সামৰিক পৰিয়ালবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে মত-বিনিময়ো কৰে। আছাম ৰেজিমেণ্ট চেণ্টাৰৰ পৰম্পৰাগত সন্মান গাওঁবুঢ়াৰে মুখ্যমন্ত্ৰীগৰাকীক এই কাৰ্যসূচীত সন্মানিত কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শ্বিলঙত বিহু পৰিৱেশন আৰু মেঘালয়ৰ সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰি উষ্ম আদৰণি জনোৱা হয়।

০০০০

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ আধাৰ নম্বৰ বাধ্যতামূলক কৰা হৈছে। অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালকালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশ জাৰি কৰিছে। অৱশ্যে ১৮ বছৰ অনুৰ্ধৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত নতুনকৈ আধাৰ কাৰ্ড প্ৰদান ব্যৱস্থা ৰাজ্য চৰকাৰে বন্ধ ৰখাৰ পৰিপ্ৰেক্ষিতত উচ্চ শিক্ষা সঞ্চালকালয়ে বিশেষ প্ৰক্ৰিয়াৰ মাজেৰে এই আঁচনিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত নিৰ্দেশটোত উল্লেখ কৰা অনুসৰি আধাৰ কাৰ্ড নথকা শিক্ষাৰ্থীসকলৰ যাৱতীয় তথ্যসমূহ শিক্ষানুষ্ঠানৰ মুৰববীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। এনেদৰে আধাৰ কাৰ্ড লাভ কৰাৰ পাছতহে ছাত্ৰ-ছাত্ৰীসকলে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ বাবে আবেদন কৰিব পাৰিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি চিটি মহাবিদ্যালয়ত নতুনকৈ নিৰ্মাণ হোৱা শৈক্ষিক ভৱনটো শুভ উদ্বোধন কৰে। ধেমাজি চিটি মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী উষা আঁচনিৰ অধীনত ৩ কোটি ৯০ লাখ টকা ব্যয় সাপেক্ষে এই শৈক্ষিক ভৱনটি নিৰ্মাণ কৰা হৈছে। এই নতুন শৈক্ষিক ভৱনটো উদ্বোধন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ সংযোজন হোৱা ভৱনটোৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষা অনুষ্ঠিত কৰিব পৰাকৈ ১০০ কম্পিউটাৰ আৰু অত্যাধুনিক প্ৰেক্ষাগৃহৰ ব্যৱস্থা আছে বুলি উল্লেখ কৰে। লগতে তেওঁ বিগত কিছু বছৰত মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপভাৱে বৃদ্ধি আৰু ফলাফলৰ ক্ষেত্ৰটো মহাবিদ্যালয়খনে যথেষ্ট গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে বুলিও প্ৰকাশ কৰে। এই নতুন শৈক্ষিক ভৱনটোৱে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক যথেষ্ট উপকৃত কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

(বাইট-ৰণোজ)

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৭ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেৱছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। কিংবদন্তি হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ২৯ আগষ্টত এই দিৱস পালন কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে হকীৰ যাদুকৰ মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ভাৰতীয় হকীত মেজৰ ধ্যানচন্দৰ অৱদানে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সকলো ক্ৰীড়া প্ৰেমীলৈও শুভেচ্ছা জনায়। সৰুসজাইত ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপন কৰা হয়। ক্ৰীড়া, শাৰীৰিক সুস্থতা আৰু অসমৰ চহকী থলুৱা ক্ৰীড়া পৰম্পৰাৰ প্ৰচাৰৰ উদ্দেশ্যে এলানি ক্ৰীড়া প্ৰতিযোগিতা, প্ৰদৰ্শনী আৰু কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী উপস্থিত থাকে। এই অনুষ্ঠানত ৰাজ্যিক ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ সঞ্চালক কমনৱেল্থ গেম্‌ছৰ স্বৰ্ণ পদক বিজয়ী নয়নমণি শইকীয়াও উপস্থিত থাকে।

০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় পৌৰ নিগমৰ বৰ্ড মিটিঙত অংশগ্ৰহণ কৰি চহৰখনৰ সামগ্ৰিক উন্নয়ন আৰু নাগৰিক সেৱাৰ মান উন্নীতকৰণৰ বিভিন্ন দিশ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে বৈঠকত চহৰখনক অধিক সুপৰিকল্পিত, পৰিষ্কাৰ আৰু আধুনিক কৰি তোলাৰ বিষয় লৈ পৰামৰ্শ আগবঢ়ায়। বৈঠকত বিধায়ক প্ৰশান্ত ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ সৈকত পাত্ৰ, উপ মেয়ৰ উজ্বল ফুকনকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খোৱাং মহাবিদ্যালয়ৰ নৱ নিৰ্মিত প্ৰেক্ষাগৃহ শুভ উদ্বোধন কৰে।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহাপ্ৰৱন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱে কালি তিনিচুকীয়া মণ্ডলৰ অন্তৰ্গত মৰিয়নি জংচন আৰু যোৰহাট টাউন ৰে'ল ষ্টেছন পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত মহাপ্ৰৱন্ধকগৰাকীয়ে ষ্টেছন দুটাৰ ভৱন, প্লেটফৰ্ম, চৌপাশৰ এলেকা আৰু যাত্ৰীসকলৰ বাবে উপলব্ধ বিভিন্ন সা-সুবিধাৰ বুজ লয়। তেওঁ লগতে সংশ্লিষ্ট বিষয়াসকলক সুৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি ৰেলৰ সুগম আৰু দক্ষ পৰিচালনা কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

ঃঃ সমাপ্ত ঃঃ